# এগৰাকী অসাধাৰণ ব্যক্তিৰ সোঁৱৰণত

## অধ্যাপক কনকচন্দ্ৰ ডেকা

বৰ্তমান মোৰ বয়স ষাঠিৰ দশকত। ইণ্টাৰমিডিয়েট পৰীক্ষা নলবাৰী কলেজৰ পৰা পাছ কৰি আহি ১৯৫৯ চনত গুৱাহাটীৰ নৈশ মহাবিদ্যালয়, কামৰূপ একাডেমী স্কুলত অস্থায়ীভাৱে স্থিত ভোলানাথ বৰুৱা কলেজত বি. এ. মহাবিদ্যালয়ত নাম ভৰ্তি কৰোঁ। তেতিয়াৰ পৰা এতিয়ালৈকে সুদীৰ্ঘ ৪৪ বছৰ কাল গুৱাহাটীত আছোঁ। এই কালছোৱাৰ ভিতৰত গুৱাহাটী তথা অসমৰ বহুতো বৰেণ্য ব্যক্তিৰ লগত আমাৰ আত্মিক সম্পৰ্ক ঘটে, বিশেষকৈ সাহিত্যত, সংবাদপত্ৰ আৰু ইতিহাসৰ লগত ঘনিষ্ঠ ব্যক্তিসকলৰ লগত। প্ৰয়াত কীৰ্তিনাথ হাজৰিকাদেৱক তেখেতে দিল্লী অনাতাঁৰ কেন্দ্ৰৰ পৰা অসমীয়াত বাতৰি পৰিৱেশন কৰা সময়ৰে পৰা জানো। জহুৰীয়ে জহৰ চিনি পোৱাৰ দৰে অসমৰ সিংহপুৰুষ, আধুনিক অসম নিৰ্মাতা, অসমৰ সংবাদ জগতৰ অদ্বিতীয় উদ্যোক্তা প্ৰয়াত ৰাধাগোবিন্দ বৰুৱাই হাজৰিকাদেৱক আৱিষ্কাৰ কৰিলে। মণি-কাঞ্চনৰ মিলন ঘটিল।

অসমীয়া সংবাদ-পত্ৰৰ ইতিহাস প্ৰাচীন, ডেৰশ বছৰৰো অধিক। কিন্তু তুলনামূলকভাৱে ভাৰতবৰ্ষৰ বহুতো উন্নত ৰাজ্যৰ তুলনাত কিছু পিছপৰা। কোৱা বাহুল্য যে প্ৰয়াত ৰাধাগোবিন্দ বৰুৱা অসমীয়া বাতৰিকাকত আৰু অসমত প্ৰকাশ পোৱা ইংৰাজী কাকতক সৰ্বভাৰতীয় মানদণ্ডৰ পৰ্যায়লৈ উন্নীত কৰিলে ৰাধাগোবিন্দ বৰুৱাই তিনিগৰাকী কাণ্ডাৰীক হাতত লৈ। সেই ত্ৰিমূৰ্তি হ'ল লক্ষ্মীনাথ ফুকন, শ্ৰীসতীশচন্দ্ৰ কাকতী আৰু ঁকীৰ্তিনাথ হাজৰিকা। ঁফুকন আসাম ট্ৰিবিউন; ইংৰাজী কাকতৰ প্ৰতিষ্ঠাপক সম্পাদক, শ্ৰীকাকতী ট্ৰিবিউন কাকতৰ দ্বিতীয়জন সম্পাদক আৰু অসম বাণী, সাপ্তাহিক অসমীয়াৰ প্ৰতিষ্ঠাপক সম্পাদক আৰু ঁকীৰ্তিনাথ হাজৰিকা 'দৈনিক অসম' কাকতৰ প্ৰতিষ্ঠাপক সম্পাদক (১৯৬৫)। তেতিয়াৰ পৰা মৃত্যুৰ (৩ মে', ২০০২) কেইমাহমান আগলৈকে দৈনিক অসমৰ প্ৰথমে সম্পাদক আৰু পিছলৈ মুখ্য সম্পাদকৰূপে থাকি অসমৰ অসমীয়া জাতীয়

সত্তাৰ হকে নিস্বাৰ্থভাৱে যি সেৱা আগবঢ়াই গ'ল তাৰ উদাহৰণ অসমীয়া সংবাদপত্ৰৰ ইতিহাসত অকল বিৰলেই নহয়, অতি বিৰল। অৱশ্যে অনস্বীকাৰ্য যে এই উদ্যোগৰ কাণ্ডাৰী ৰাধাগোবিন্দ বৰুৱাৰ পিছতে তেওঁৰ সুযোগ্য স্বনামধন্য পুত্ৰদ্বয় শ্ৰীতুলসী গোবিন্দ আৰু শ্ৰীপ্ৰফুল্ল গোবিন্দ বৰুৱা (বৰ্তমান ট্ৰিবিউন আৰু 'দৈনিক অসম'ৰ সম্পাদক)ৰ নাম উল্লেখ কৰিবই লাগিব।

ঁহাজৰিকাৰ দ্বাৰা সম্পাদিত 'দৈনিক অসম' কাকতৰ জন্মলগ্নৰে পৰা আমি গ্ৰাহক আৰু পাঠক। তেখেতৰ এটি নিজস্ব সম্পাদকীয় ৰীতি আৰু নীতি আছিল। এই বিষয়ত হাজৰিকাক নিৰ্ভীক, স্পষ্টবাদী আৰু সত্যবাদী সম্পাদক, পূৰোধা ব্যক্তি তথা প্ৰবীণ মুক্তিযুঁজাৰু ঁহৰেন্দ্ৰনাথ বৰুৱাৰ লগতহে ৰিজাব পাৰিব। হাজৰিকাদেৱক সুদীৰ্ঘ ৪৪ বছৰ নিবিড়ভাৱে লগ পোৱাৰ দৰে ঁবৰুৱাকো ১৯৫৮ চনৰ পৰা নিয়মিত আৰু নিবিড়ভাৱে লগ পাইছিলোঁ। দৈনিক অসমত নিয়মিতভাৱে আমাৰ প্ৰবন্ধপাতি প্ৰকাশ পোৱাৰ দৰে 'নতুন অসমীয়া' কাকততো প্ৰকাশ পাইছিল।

হাজৰিকাদেৱ আছিল একেবাৰে অল্পভাষী। কিন্তু দুৰ্ঘোৰ নিঃস্বাৰ্থকৰ্মী। যেতিয়াই কোনো প্ৰবন্ধ বা সংবাদ এটি প্ৰকাশৰ কাৰণে তেখেতৰ সম্পাদকৰ কোঠাত সোমাই নমস্কাৰ এটি কৰোঁ, পোনে পোনে হাতখন মেলি লেখাটো হাতত লৈ মাত্ৰ এটি বা দুটি শব্দ উচ্চাৰণ কৰি "কেনে আছে? কোন তাৰিখে ওলাব লাগে? যাওঁক গৈ?"

দ্বিতীয় কথা বা ৰীতি আছিল তেখেতৰ সম্পাদিত কাকতৰ ভাষা সৰ্বসাধাৰণ লোকে, গাৱঁৰ সাধাৰণ শিক্ষিত ল'ৰা, ডেকা, বুঢ়াই বিনাকষ্টে পঢ়িব পৰা। তেখেতৰ ভাষা আছিল ব্যঞ্জনাহীন, সহজ-সৰল আৰু অতিৰঞ্জনামুক্ত। সম্পাদক হৰেন্দ্ৰনাথ বৰুৱাৰ দৰে কোনো সংবাদৰ আতি-গুৰি বিচাৰি সত্যটোহে প্ৰকাশ কৰা। কোনো ব্যক্তি-বিশেষৰ সন্মানত আঘাত কৰা বিধৰ কোনো কথাই তেখেতে প্ৰকাশ নকৰিছিল। মুঠতে তেখেত আছিল অতি সুশৃঙ্খল আৰু সংস্কাৰধৰ্মী লেখক আৰু সম্পাদক।

তেখেতৰ আছিল জাতিৰ কাৰণে উৎসৰ্গীকৃত দেহ, আত্মা আৰু কলম। অযাচিতে তেখেতলৈ বহুতো সন্মান আহিছিল। আজিকালি কোঁৱা বাহুল্য শঙ্কৰদেৱ বঁটা পাবলৈ অসম সাহিত্য সভাৰ সভাপতি হ'বলৈ বহুতে কেনভাচ্ কৰে, অপপ্ৰচাৰ চলায়। কিন্তু সেইবোৰ সন্মান তেখেতে কোনোদিনে বিচৰা নাছিল। কৃতকৰ্মৰ ফলস্বৰূপে তেনেবোৰ সন্মান তেখেতলৈ আহিছিল। অসমৰ বহুতো

জাতীয় সমস্যা— তেল শোধনাগাৰ, ৰাজ্য ভাষা আন্দোলন, বিদেশী বহিষ্কাৰ আন্দোলনত জাতিৰ স্বাৰ্থৰ হকে তেখেতে ক্ষুৰধাৰ কলম ব্যৱহাৰ কৰিছিল অতি নিৰ্ভীকতাৰে।

উল্লেখ নকৰি নোৱাৰি অ গ প চৰকাৰৰ দিনত সদস্য মহীয়ান ডক্টৰ মহেশ্বৰ নেওগৰ মুখ্য সম্পাদনাত নেওগৰে বাসভৱনত ড° নেওগ, কীৰ্তিনাথ হাজৰিকা, অতুলচন্দ্ৰ বৰুৱা আৰু শ্ৰীনৰেন্দ্ৰনাথ শৰ্মাৰ সহযোগত কেবাবছৰ ধৰি 'অসমীয়া বহুল অভিধানৰ" কাম চলিছিল। আমি জনাত সম্পাদনা কামো শেষ হৈছিল। এই কাৰ্য সম্পাদনা কৰাত অসম চৰকাৰৰ বহু লক্ষ টকা খৰচ হৈছিল। হাজৰিকাদেৱৰ সৈতে এই সন্দৰ্ভত বহুবাৰ আলোচনা হোৱাত তেখেতে ক্ষোভ আৰু দুখ প্ৰকাশ কৰিছিল। তেখেতে বেজাৰত কৈছিল, "অসমীয়া জাতিৰ চৰিত্ৰ এনেই।" যি কি নহওক এইটো ঠিক যে এই চাৰিসিদ্ধই বহুল অভিধানৰ বিৰাট কাম এটি সম্পন্ন কৰি অসমীয়া ভাষাক, অসমীয়া জাতিক এটি ডাঙৰ সম্পদ দি গ'ল। আশাকৰোঁ বৰ্তমানৰ চৰকাৰৰে পাণ্ডুলিপিটো সংগ্ৰহ কৰি বহু আকাঙ্ক্ষিত অসমীয়া অভিধানখনক অসমীয়া পাঠক, লেখক, ছাত্ৰ-ছাত্ৰী, শিক্ষকৰ হাতত দিব আৰু তেতিয়া হ'লেহে হাজৰিকাদেৱৰ প্ৰতি চাৰিসিদ্ধৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধা আৰু সন্মান জনোৱা হ'ব।

সামাজিক জীৱনত হাজৰিকাদেৱ মহাসুখী হৈও সাংসাৰিক জীৱনত অত্যন্ত দুখীয়া আছিল। হাজৰিকাদেৱৰ লগত আন্তৰিক সম্পৰ্ক থকা লোকেহে ইয়াৰ মৰ্মাৰ্থ বুজিছিল। শেষৰ ফালে সহধৰ্মিণীৰ অসুখ-বিসুখে তেখেতক যথেষ্ট পীড়া দিছিল। বহু সময়ত মানসিক বেদনাত তেখেত আবেগিক হৈ পৰিছিল।

আজি প্ৰয়াত হাজৰিকাদেৱৰ আদ্যশ্ৰাদ্ধৰ দিনত এই সামান্য স্মৃতি ৰোমন্থনেৰে শ্ৰদ্ধাঞ্জলি জনালোঁ। ◆